# প্ৰধানমন্ত্ৰীৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমন (জুন ৭-৮,২০১৬)

২০ মে ২০১৬

মাননীয় আমেৰিকাৰ ৰাষ্ট্ৰপতি মি. বৰাক ওবামাৰ আমন্ত্ৰণক্ৰমে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জুন মাহৰ ৭-৮,২০১৬ ত ওৱাচিংটন ডিচি ভ্ৰমণ কৰিব ।

ভাৰত-আমেৰিকাৰ দ্বিপাক্ষীক স্ট্ৰ্যাটেজিকস পাৰ্টনাৰশ্বিপ মজবুতভাৱে বিকশিত হৈছে,বিশেষকৈ যোৱা দুটা বছৰত প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি ওবামাৰ নেতৃত্বত ।প্ৰধানমন্ত্ৰী গৰাকীৰ আগুন্তুক ভ্ৰমণৰ মূল উদ্দেশ্য - অৰ্থনীতি,শক্তি,পৰিবেশ,প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ বিষয়ত বিভিন্ন ক্ষেত্ৰত অগ্ৰগতি ঘটোৱা আৰু ভৱিষ্যতৰ সহযোগিতাক শক্তিশালী কৰা ।

আমেৰিকাৰ হাউচ অৱ ৰিপ্ৰেজেন্ট্যাটিভৰ স্পিকাৰ মাননীয় মি.পল ৰয়ান আমেৰিকান কংগ্ৰেছৰ যুটিয়া অধিবেশনত বক্তব্য ৰখাৰ বাবে প্ৰধানমন্ত্ৰী গৰাকীক আমন্ত্ৰীত কৰা হৈছে,যিটো তেওঁ গ্ৰহন কৰিছে ।তেওঁ ২০১৬ চনৰ প্ৰথম গৰাকী নেতা যাক এই সন্মানেৰে সন্মানিত কৰা হব ।ভাৰত-আমেৰিকা ষ্ট্ৰ্যাটেজিক পাৰ্টনাৰশ্বিপৰ শক্তিৰ উতস আমেৰিকান কংগ্ৰেছ আৰু ইন্ডিয়া কংগ্ৰেশনাল ককাচ আমেৰিকান কংগ্ৰেছ এনেধৰনৰ বৃহত্তম গ্ৰুপ ।

ভ্ৰমনকালত প্ৰধানমন্ত্ৰী গৰাকীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰধান সংস্থা সমূহৰ চিইও সকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰিব । আমাৰ অৰ্থনৈতিক অংশীদ্বাৰিত্বক সম্পূৰ্ণৰূপে কাৰ্য্যকৰি কৰা দুয়োদেশৰ লগত প্ৰধান অগ্ৰাধিকাৰ হিচাপে বিবেচিত আৰু এই ক্ষেত্ৰত অৰ্জিত অগ্ৰগতি প্ৰতিফলিত হৈছে বৰ্ধিত বিনিয়োগ প্ৰবাহত ।

নতুন দিল্লী

২০ মে ২০১৬